# অসম আদিত্য

৯ ফাগুন, ১৯৪৫ শক ■ বৃহস্পতিবাৰ, ২২ ফেব্ৰুৱাৰী, ২০২৪ ■ Asom Aditya, Dibrugarh, Thursday, February 22, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱা


## ক ড° শশীকান্ত চিলাৰায় বঁটা

বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱাল, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, জিলা আয়ুক্ত বিক্ৰম কৈৰী, মৰাণ মহাবিদ্যালয়ৰ অধ্যাপক ড০ ৰাজীৱ হাজৰিকা, অধীক্ষক অভিযন্তা প্ৰশান্ত কুমৰা শইকীয়া, শিক্ষয়িত্ৰী মঞ্জুলতা সোনোৱাল গগৈকে প্ৰমুখ্য কৰি বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব। সভাত চিলাৰায় দিৱসৰ লগত সংগতি ৰাখি প্ৰশান্ত শইকীয়াৰ সম্পাদনাত প্ৰকাশ পাবলগা স্মৃতিগ্ৰন্থ 'প্ৰবাহমান' উন্মোচন কৰিব সন্মানীয় অতিথি 'অসম আদিত্য'ৰ সম্পাদক মনজিৎ বৰাই। প্ৰথমবাৰ বাবে সদৌ ডিব্ৰুগড় জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাই বীৰজনাৰ দিৱসত শিক্ষা, সাহিত্য-সংস্কৃতিৰ দিশত সমাজলৈ বিশেষ অৱদান আগবঢ়োৱা জিলাখনৰ বিশিষ্ট ব্যক্তিক প্ৰতিবছৰে একোটিকৈ চিলাৰায় বঁটা প্ৰদান কৰিব। আনহাতে, ২০২৪ বৰ্ষৰ বাবে বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ কানৈ মহাবিদ্যালয় অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক আক্ৰাছু তৰফৰ পৰা নিৰ্বাচিত কৰিছে। ২৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগা চিলাৰায় দিৱসৰ কাৰ্যসূচীৰ মুকলি সভাত ড০ শশীকান্ত শইকীয়াক এই বঁটা প্ৰদান কৰিব। উক্ত অনুষ্ঠানত ৰাইজৰ উপস্থিতি কামনা কৰিছে আক্ৰাছু সম্পাদক প্ৰাঞ্জল দত্তই।

## ঙৰ আদৰণী সভা

### উপস্থিত থাকি নৱাগতক উৎসাহ বিশিষ্ট চিকিৎসক ডাঃ চাহেৱালাই

ফেব্ৰুৱাৰী ঃ এছ ডি চাহেৱালা মেম'ৰিয়েল স্কুল াজি ১৬ সংখ্যক নৱাগতসকলৰ (প্ৰথবৰ্ষৰ ছাত্ৰী) অনুষ্ঠিত হৈ যায়। এই সভা উপলক্ষে প্ৰথমবৰ্ষৰ াজত সৌন্দৰ্য চৰ্চা প্ৰতিযোগিতা পতা হয়। এই ত মুখ্য অতিথি হিচাপে বিশিষ্ট চিকিৎসক ডাঃ লা, সবিতা চাহেৱালা উপস্থিত থাকে। ইয়াৰ ষ্ঠানটিত উপস্থিত আছিল এছ. ডি চাহেৱালা স্কুল অব নাৰ্ছিঙৰ শিক্ষয়িত্ৰীসকল তথা াপি স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ। অনুষ্ঠানটি দ্বিতীয়বৰ্ষৰ (জিএনএম) ছাত্ৰীসকলে এটি সমবেত আনহাতে, ডাঃ চাহেৱালাই তেওঁৰ ভাষণত ছাত্ৰ-ভৱিষ্যতৰ দিনত আগবাঢ়ি যাবলৈ উৎসাহিত কৰে। ণি দাসে প্ৰথম বৰ্ষৰ ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে ই তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। ইয়াৰ ৰ্ষৰ ছাত্ৰী তথা দ্বিতীয় আৰু তৃতীয় বৰ্ষৰ ছাত্ৰীসকলেও টকৈৰে অনুষ্ঠানটি উৎসৱমুখৰ কৰি তুলিলে।

## 'মাতৃভাষাৰ মহত্ব বিৱৰ্তনৰ পথেৰে অসমীয়া সাহিত্য' শীৰ্ষক বক্তৃতানুষ্ঠান

**ডিব্ৰুগড়, ২১ ফেব্ৰুৱাৰী ঃ** আজি ২১ ফেব্ৰুৱাৰী। আন্তৰ্জাতিক মাতৃভাষা দিৱস। সমগ্ৰ বিশ্বৰ লগতে আজি ডিব্ৰুগড়তো, ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাৰ 'লক্ষ্মীনাথ বেজবৰুৱা প্ৰেক্ষাগৃহ'ত দিনজোৰা কাৰ্যসূচীৰে 'ডিব্ৰুগড় জিলা লেখিকা সমাজ' আৰু 'ডিব্ৰুগড় সাহিত্য সভা'ৰ সৌজন্যত উদ্‌যাপন কৰা হয় 'আন্তৰ্জাতিক মাতৃভাষা দিৱস'। সেই অনুসৰি দিনৰ ১০.৩০ বজাত অনুষ্ঠানৰ প্ৰাতঃকাৰ্যসূচী ৰূপায়িত হয় বৰেণ্য সাহিত্যিক, পণ্ডিত ড° নগেন শইকীয়াৰ বাসগৃহ 'বৰ্ণমালা'ত ড° চুলতানা হাজৰিকাৰ কবিতা পুথি 'শ্বাসৰুদ্ধ'ৰ উন্মোচনেৰে। অনিতা গগৈয়ে আঁত ধৰা উক্ত অনুষ্ঠানত উপস্থিত থাকে সাৰস্বত ন্যাসৰ সম্পাদক বীৰেন বৰুৱাকে ধৰি দুই চাৰিজন। কবিতা পুথিখন উন্মোচন কৰি সমূহ অসমীয়াকে আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ শুভবাৰ্তা আৰু কবিক অভিনন্দন জনাই প্ৰজ্ঞাৰ সাধকজনাই। নিজ মাতৃৰ প্ৰতি উছৰ্গা কৰা কবিতাপুথিখনৰ উন্মোচনৰ মুহূৰ্তত অসমীয়া ভাষাৰ প্ৰতি দায়বদ্ধতাৰে কবিতা পুথিখন ৰচাৰ কথা কয় কাব্যগ্ৰন্থখনিৰ প্ৰণেতা চুলতানা হাজৰিকাই। তাৰ পিছতেই পৰৱৰ্তী কাৰ্যসূচী ৰূপায়িত হয় দিনৰ ১১.৩০ বজাৰ পৰা। ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ তথা 'ডিব্ৰুগড় জিলা লেখিকা সমাজ'ৰ সন্মানীয় উপদেষ্টা ড° শশীকান্ত শইকীয়াই বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিৰ মঞ্চ উদ্বোধন কৰা হয় ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সদস্য সতীৰ্থসকলে পৰিৱেশন কৰা 'অসম লেখিকা সমাজ'ৰ শীৰ্ষক গীত— 'জাগা জাগা নাৰী' গীতটিৰে। তাৰ পিছতেই হিৰোমা শইকীয়াৰ স্ব-ৰচিত কবিতা পাঠেৰে আৰম্ভ কৰা হয় 'অসমীয়া ভাষা মোৰ সুৰদি-সুৰীয়া' শীৰ্ষক 'সাহিত্য সন্মিলন'ৰ বিয়ানাম, গীত-মাত, কবিতা পাঠ, অনুগল্প পঠনৰ কাৰ্যক্ৰম। ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সম্পাদিকা অনিতা গগৈ আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সাংগঠনিক সম্পাদক মিনাক্ষী দাস বৰুৱাই যুটীয়াভাৱে আঁত ধৰা এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে অনুষ্ঠানটিত ডিব্ৰুগড় জিলাৰ বিভিন্ন স্থানৰ পৰা আহি সমবেত হোৱা সতীৰ্থসকলে। বিয়লি ২ বজাৰ পৰা অনুষ্ঠিত হোৱা মূল সভাৰ প্ৰাৰম্ভ হয় মঞ্চলৈ বিশিষ্ট ব্যক্তিসকলৰ আদৰণি, বৰণ আৰু আসন গ্ৰহণৰ পিছতে ডিব্ৰুগড় জিলা সমাজৰ সমবেত সংগীত 'আমি এজাক জোনাকী'ৰ পৰিৱেশনেৰে। সভাত সভাপতিত্ব কৰে সাহিত্যিক, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়াই। মঞ্চত ৰাজহুৱাভাৱে পুনঃ উন্মোচন কৰা হয়— ড° চুলতানা হাজৰিকাৰ কবিতা পুথি 'শ্বাসৰুদ্ধ'ৰ। তাৰ পিছতেই 'মাতৃভাষাৰ মহত্ব বিৱৰ্তনৰ পথেৰে অসমীয়া সাহিত্য' শীৰ্ষক বক্তৃতানুষ্ঠানত মূল বক্তাৰূপে উপস্থিত থাকি নিৰ্দিষ্ট বিষয় সন্দৰ্ভত সামগ্ৰিকভাৱে সকলো দিশ সামৰি বক্তব্য আগবঢ়াই লেখক, অনুবাদক, সম্পাদক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ, অসমীয়া বিভাগৰ সন্মানীয় প্ৰাধ্যাপক ড° পল্লৱী ডেকা বুজৰবৰুৱাই। উক্ত বিষয় সন্দৰ্ভত সাৰগৰ্ভ বক্তব্য ৰাখে কবি, লেখক, সাহিত্য সমালোচক তথা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক ড° মৃদুল শৰ্মাই। আজিৰ সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰি মঞ্চত আসনাধিষ্ঠসকল আছিল ক্ৰমে— ড° শশীকান্ত শইকীয়া, ড° পল্লৱী ডেকা বুজৰবৰুৱা, ড° মৃদুল শৰ্মা, ড° প্ৰাতসলতা বুঢ়াগোহাঁইহঁই (প্ৰাক্তন সভানেত্ৰী, ডিব্ৰুগড় জিলা লেখিকা সমাৰোহ সমিতি তথা অসম সাহিত্য সভাৰ, ডিব্ৰুগড় সাহিত্য সভাৰ কাৰ্যবাহী বিষয়ববীয়া), বীৰেণ বৰুৱা (সম্পাদক, সাৰস্বত ন্যাস), উজ্জ্বল হাজৰিকা (বাণীমন্দিৰৰ স্বত্বাধিকাৰ, প্ৰকাশক), ড° স্মৃতিৰেখা দেৱী (অধ্যাপক, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়) বিবিজান দত্ত (সম্পাদক, ডিব্ৰুগড় কবি সন্মিলন), বিভাস দুৱাৰা (উপ-সভাপতি, ডিব্ৰুগড় সাহিত্য সভা, সংবাদসেৱী) পি কে শ্ৰুতিকৰ (সম্পাদক, ৰেড ক্ৰছ হ'চাইটি), ইকবাল আহমেদ (জ্যেষ্ঠ সাংবাদিক), ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক, সাংবাদিক ৰাতুল বুঢ়াগোহাঁইকে আদি কবি সমাজ জীৱনক সমৃদ্ধ কৰা বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকল। সংগীত শিল্পী ৰতন গগৈ, ভায়'লীন বাদক চন্দনা শৰ্মা প্ৰমুখ্যে বিভিন্ন সামাজিক সংগঠন ক্ৰমে— লেখিকা সমাৰোহ, লেখিকা সংস্থা, ডিব্ৰুগড় জিলা কবি সন্মিলন, ডিব্ৰুগড় শিল্পী সমাজৰ প্ৰতিনিধিস্বৰূপ সদস্যসকলৰ উপৰি ডিব্ৰুগড় অধিবাসী সাহিত্যানুৰাগী ব্যক্তিসকলৰ উপস্থিতিৰে সমৃদ্ধ হোৱা অনুষ্ঠানটো সমাপন ঘটে জিলা লেখিকা সমাজৰ সম্পাদকৰ শলাগৰ শৰাই, সভাপতিৰ মন্তব্য আৰু সভা ভংগৰ ঘোষণাৰে।


ৰ



ল্পৰ

স স্থাপন

াৰালা

ান সভা সমষ্টি